**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 18-05-2024
**Time :** 17-15 Hrs.

***Assamese Evening Bulletin***

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ৰ প্ৰচাৰ অভিযানৰ আজি বিয়লি সামৰণি পৰিব। এই পৰ্যায়ত অহা ২০ মে'ত ৪৯টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। পঞ্চম পৰ্যায়ৰ প্ৰচাৰৰ সামৰণিৰ প্ৰাকক্ষণত আজি ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ অন্তিম প্ৰয়াসত ব্ৰতী হয়।

আনহাতে, দেশৰ বিভিন্ন প্ৰান্তত ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান অব্যাহত আছে। ষষ্ঠ পৰ্যায়ত ২৫ মে'ত আৰু সপ্তম পৰ্যায়ত অহা ১ জুনত ৫৭ টাকৈ সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি হাৰিয়ানাৰ আম্বালাত এন ডি এৰ এখন নিৰ্বাচনী সভাত ভাষণ দি এইবাৰৰ নিৰ্বাচনত বিজেপিয়ে অভিলেখ সংখ্যক আসনত জয়ী হ'ব বুলি আস্থা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে দাবী কৰে যে বিজেপিৰ দৰে শক্তিশালী নেতৃত্বৰ চৰকাৰ এখন ক্ষমতাত থাকিলে ৰাষ্ট্ৰবিৰোধী শক্তিসমূহে মূৰ তুলিবলৈ সুবিধা নাপায়। জম্মু আৰু কাশ্মীৰৰ অৱস্থা পূৰ্বৰ তুলনাত পৰিবৰ্তন হৈছে বুলি দাবী কৰি বিজেপি নেতাগৰাকীয়ে কয় যে, এন ডি এৰ সবৰ নেতৃত্বতহে এই সু-পৰিবৰ্তন সম্ভৱ হৈছে। শ্ৰীমোদীয়ে লগতে আম্বালা তথা সামগ্ৰিকভাৱে হাৰিয়ানাৰ দেশপ্ৰেমেৰে বিটোত জনসাধাৰণক ৰাষ্ট্ৰবিৰোধী শক্তিৰ বিৰুদ্ধে ভোটদান কৰিবলৈ আহ্বান জনায়।

ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি মুম্বাইত এখন সংবাদমেলক সম্বোধন কৰি কয় যে, আই এন ডি আই মিত্ৰজোঁটে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হ'লে জিএছটি সলনি এটা সৰল আৰু একক দৰযুক্ত কৰ ব্যৱস্থা সকলোৰে কাৰণে প্ৰযোজ্য কৰা হ'ব। দেশৰ ১৪০ কোটি জনসাধাৰণক চাকৰি, মূল্যবৃদ্ধি, কৃষকৰ আমদানি হ্ৰাস, দুৰ্নীতি হ্ৰাস ইত্যাদি বিভিন্ন ক্ষেত্ৰত মিছা প্ৰতিশ্ৰুতি প্ৰদান কৰা বুলি দাবী কৰি শ্ৰীখাৰ্গেয়ে শাসনাধিস্থ চৰকাৰক সমালোচনা কৰে। এন চি পিৰ সভাপতি শাৰদ পাৱাৰ আৰু শিৱসেনাৰ সভাপতি উদ্ধৱ থাকৰেও উপস্থিত থকা সংবাদমেলখনত বিৰোধী পক্ষই মহাৰাষ্ট্ৰৰ ৪৮খন লোকসভা আসনৰ ৪৬খনত জয়লাভ কৰিব বুলি দাবী কৰে।

উল্লেখযোগ্য যে আম আদমী পাৰ্টিৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালেও কালি মুম্বাইত আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থনত আয়োজিত জন সমাবেশত অংশগ্ৰহণ কৰে।

ইফালে, বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ঝাঁচীত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আই এন ডি আই মিত্ৰজোঁট আৰু কংগ্ৰেছক সমালোচনা কৰি শ্ৰীশ্বাহে কয় যে, পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত ৰাষ্ট্ৰতকৈ পৰিয়ালৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়। ইয়াৰ পাছত শ্ৰীশ্বাহে আজি আমেঠিত এন ডি এৰ প্ৰাৰ্থী স্মৃতি ইৰাণীৰ হৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে।

আনহাতে বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও আজি উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ উন্নয়নমুখী কাৰ্যকলাপসমূহে বিশ্বব্যাপি অৰ্থনীতিবিদ আৰু বিত্তীয় অনুষ্ঠানসমূহৰ সমাদৰ লাভ কৰিছে।

০০০০

উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ উত্তৰ বহী পুনৰীক্ষণৰ বাবে পৰীক্ষাৰ্থীসকলে অনলাইনৰ জৰিয়তেহে আবেদন জনাব পাৰিব। এই সন্দৰ্ভত উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে জাৰি কৰা এখন অধিসূচনা অনুসৰি উত্তৰ বহী পুনৰীক্ষণ কৰিবলৈ বিচৰা পৰীক্ষাৰ্থীসকলে অহা ২২ মে'ৰ বিয়লি ৫ বজা পৰ্যন্ত ahsec.assam.gov.inত অনলাইন আবেদন কৰিব পাৰিব। ইয়াৰ বাবে পৰীক্ষাৰ্থীসকলে মাছুলো অনলাইনযোগে আদায় কৰিব লাগিব।

০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া চলি থকাৰ পৰিপ্ৰেক্ষিতত এখন গুৰুত্বপূৰ্ণ জাননী জাৰি কৰিছে। এই অনুসাৰে শিক্ষা সংসদে ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে একাদশ শ্ৰেণীৰ নামভৰ্তি প্ৰক্ৰিয়া নিৰ্দিষ্ট দৰ্পন পোৰ্টেলৰ যোগেৰে সম্পন্ন কৰিবলৈ শিক্ষাৰ্থী আৰু অভিভাৱকসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে দৰ্পন পোৰ্টেলত পঞ্জীয়নভুক্ত নোহোৱা কিছু শিক্ষানুষ্ঠানে নিজাববীয়াকৈ অফলাইন প্ৰক্ৰিয়াৰে শিক্ষাৰ্থীৰ নামভৰ্তি  কৰি থকাৰ ঘটনা দৃষ্টিগোচৰ হোৱাৰ পাছতে শিক্ষা সংসদে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সজাগ কৰাৰ উদ্দেশ্যে এই জাননী জাৰি কৰিছে। অফলাইন প্ৰক্ৰিয়াৰে কৰা নামভৰ্তি শিক্ষা সংসদৰ সিদ্ধান্তৰ পৰিপন্থী আৰু এই ব্যৱস্থাৰে সম্পন্ন হোৱা নামভৰ্তিসমূহক শিক্ষা সংসদে মান্যতা প্ৰদান নকৰাৰ লগতে তেনে ছাত্ৰ-ছাত্ৰীসকলক একাদশ শ্ৰেণীৰ পঞ্জীয়নৰ আওতালৈ অনা নহব বুলিও শিক্ষা সংসদে সকিয়াই দিছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ৬১ সংখ্যক বড়ো মাধ্যম দিৱস উদ্‌যাপন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰীত এই উপলক্ষে শালবাৰী জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত এলানি কাৰ্যসূচী পালন কৰা হয়। শালবাৰী জিলা বড়ো সাহিত্য সভাৰ সভাপতি ডম্বৰুধৰ বসুমতাৰীয়ে পতাকা উত্তোলন কৰাৰ পাছতেই নিখিল বড়ো ছাত্ৰ সন্থাৰ বাক্সা জিলাৰ সভাপতি উমেশ দৈমাৰীয়ে বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পন আৰু পুস্পাঞ্জলি অৰ্পন কৰে। অনুষ্ঠানত শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ, শালবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উপাধ্যক্ষকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। ইপিনে, চিৰাং জিলাৰ ঢালিগাওঁস্থিত চিৰাং জিলা বড়ো সাহিত্য সভাৰ কাৰ্যালয় প্ৰাঙ্গনতো আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়ো মাধ্যম দিৱস পালন কৰা হয়। জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানতো বড়ো মাধ্যম দিৱস উদ্‌যাপন কৰা হয়। আনহাতে, কোকৰাঝাৰৰ চিম্বৰগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বড়ো মাধ্যম দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচী হাতত লোৱা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ